# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-10-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ ৰাওনা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰমাৰ আজি মুম্বাইত এখন বৈঠকত মিলিত হ'ব।

৩। কেন্দ্ৰীয় মন্ত্ৰী শিৰৰাজ সিং চৌহানে কালি নতুন দিল্লীত হস্তওঁাত আৰু বস্ত্ৰশিল্প সম্পৰ্কীয় এখন ৰাষ্ট্ৰীয় সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ শিপিনীসকলৰ সৈতে মত বিনিময় কৰে।

৪। কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি নতুন দিল্লীত ইণ্ডিয়া মোবাইল কংগ্ৰেছ ২০২৫ত ছেটকম সন্মিলন মুকলি কৰে।

*আৰু*

৫। ভাৰত আজি মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ মুখামুখি হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি তিনিদিনীয়া চৰকাৰী ভ্ৰমণসূচীৰে গুজৰাটলৈ ৰাওনা হ'ব। শ্ৰীমতী মুৰ্মুৱে কাইলৈ সোমনাথ মন্দিৰ দৰ্শন কৰিব আৰু আৰতিত অংশ ল'ব। তেওঁ লগতে গিৰ ৰাষ্ট্ৰীয় অভয়াৰণ্য পৰিদৰ্শন কৰিব আৰু ছাছানগিৰত স্থানীয় জনজাতীয় সম্প্ৰদায়ৰ সদস্যসকলৰ সৈতে বাৰ্তালাপত ভাগ ল'ব। শণিবাৰে ৰাষ্ট্ৰপতিগৰাকীয়ে দ্বাৰকাত থকা দ্বাৰকাধীশ মন্দিৰ দৰ্শন কৰি আৰতিত ভাগ ল'ব। তেওঁ ভ্ৰমণকালত আহমেদাবাদৰ গুজৰাট বিদ্যাপীঠৰ ৭১ সংখ্যক সমাৱৰ্তন সমাৰোহত উপস্থিত থাকিব।

ooooo

উপ ৰাষ্ট্ৰপতি শ্ৰীচি পি ৰাধাকৃষ্ণণে ২৪ বছৰ জোৰা নিষ্ঠাৱান সেৱা সম্পূৰ্ণ কৰি চৰকাৰৰ মুৰব্বী হিচাপে ২৫ সংখ্যক বছৰত ভৰি দিয়াৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত লিখা এটা পোষ্টত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰ প্ৰথম নীতিয়ে দেশক ৫টা ভংগুৰ অৰ্থনীতিৰ পৰা চতুৰ্থ বৃহৎ অৰ্থনীতিৰ দেশলৈ ৰূপান্তৰ কৰিছে। দৰিদ্ৰ লোকসকলৰ সবলীকৰণৰ পৰা আৰম্ভ কৰি ভাৰতৰ সাংস্কৃতিক গৌৰৱ পুনৰ উজ্জীৱিত কৰা আত্মনিৰ্ভৰ ভাৰতৰ প্ৰসাৰলৈকে শ্ৰীমোদীৰ এই যাত্ৰাই কোটি কোটি এই লোকক অনুপ্ৰাণিত কৰিছে বুলি উপ ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভাৰত ভ্ৰমণৰত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী কিৰ ষ্টাৰমাৰ আজি মুম্বাইত এখন দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰীগৰাকী দুদিনীয়া চৰকাৰী ভাৰত ভ্ৰমণসূচীৰে কালি মুম্বাইত উপস্থিত হয়। শ্ৰীষ্টাৰমাৰৰ সৈতে ব্ৰিটেইনৰ পৰা এতিয়ালৈ সৰ্ববৃহৎ বাণিজ্য প্ৰতিনিধি দল এটাও ভাৰতলৈ আহিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ এটা সূত্ৰই প্ৰকাশ কৰা মতে আলোচনাকালত দুয়োগৰাকী নেতাই **ভিজন ২০৩৫**ৰ ৰূপৰেখা প্ৰস্তুত কৰাৰ বাবে ভাৰত আৰু ব্ৰিটেইনৰ সৰ্বাত্মক কৌশলগত সহযোগিতাৰ অধীনত ৰূপায়িত বিভিন্ন কাৰ্যসূচীৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰিব। এই অংশীদাৰিত্বৰ জৰিয়তে বাণিজ্য আৰু বিনিয়োগ, প্ৰযুক্তি আৰু উদ্ভাৱন, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, জলবায়ু আৰু শক্তি, স্বাস্থ্য, শিক্ষা আৰু জনসাধাৰণৰ মাজৰ পাৰস্পৰিক সম্পৰ্কৰ দৰে গুৰুত্বপূৰ্ণ বিষয়সমূহক অগ্ৰাধিকাৰ প্ৰদানেৰে উভয় দেশে ১০ বছৰীয়া সময় নিৰ্ধাৰিত কাৰ্যসূচী গ্ৰহণ কৰিছে। দুয়োগৰাকী নেতাই পৰস্পৰ স্বাৰ্থজড়িত বিষয়সমূহৰ ক্ষেত্ৰত মত বিনিময় কৰাৰ লগতে দুয়ো দেশৰ মাজৰ অৰ্থনৈতিক আৰু বাণিজ্য চুক্তি সন্দৰ্ভত আলোকপাত কৰাৰ উদ্দেশ্যে ব্যৱসায়িক আৰু ঔদ্যোগিক ক্ষেত্ৰৰ নেতৃস্থানীয় লোকসকলৰ সৈতে বাৰ্তালাপতো ভাগ ল'ব। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে আজি মুম্বাইত হ'বলগীয়া **গ্লোবেল ফিনটেক ফেষ্ট**ৰ ষষ্ঠ সংস্কৰণতো অংশগ্ৰহণ কৰিব।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি নতুন দিল্লীত আয়োজিত হস্ততাঁত আৰু বস্ত্ৰশিল্প সম্পৰ্কীয় এখন ৰাষ্ট্ৰীয় সন্মিলনত উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পী আৰু শিপিনীসকলৰ সৈতে মত বিনিময় কৰে। বাৰ্তালাপৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ সাংস্কৃতিক ঐতিহ্য আৰু শিল্পী তথা শিপিনীসকলৰ দক্ষতাৰ শলাগ লয়। সন্মিলনে শিল্পীসকলৰ নিজা নিজা অভিজ্ঞতা প্ৰত্যাহ্বান আৰু আকাংক্ষাৰ বিষয়ে প্ৰকাশ কৰিবলৈ এখন মঞ্চ প্ৰদান কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। সন্মিলনত গ্ৰাম্য শিপিনীসকলৰ সৰ্বাংগীন উন্নয়নৰ জৰিয়তে ভোকেল ফ'ৰ লোকেল আৰু আত্মনিৰ্ভৰ ভাৰতৰ দৃষ্টিভংগীকো আলোকপাত কৰা হৈছে।

ooooo

কেন্দ্ৰীয় যোগাযোগ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই কালি নতুন দিল্লীত অনুষ্ঠিত ইণ্ডিয়া মোবাইল কংগ্ৰেছ ২০২৫ত বিশ্বজনীন সংযোগৰ বাবে **ছেটকম** সন্মিলন মুকলি কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰীগৰাকীয়ে কয়, যে উপগ্ৰহৰ যোগাযোগ ব্যৱস্থাই এতিয়া ডিজিটেল অন্তৰ্ভুক্তিৰ প্ৰতিশ্ৰুতি দেশৰ সকলো দুৰ্গম অঞ্চললৈ সম্প্ৰসাৰিত কৰিব। মন্ত্ৰীগৰাকীয়ে কয়, যে ভাৰতৰ ৯৯ দশমিক ৯ শতাংশ জনসাধাৰণক মাত্ৰ ২০ মাহত ৪ দশমিক ৮ লাখ ফাইভ জি টাৱাৰৰ জৰিয়তে সংযোগ কৰা হৈছে। তদুপৰি চৰকাৰে দুৰ্গম স্থানত অৱস্থিত ৩৮ হাজাৰ ২৬০ খন গাঁৱক ৪০ হাজাৰ কোটি টকা বিনিয়োগেৰে সংযোগ কৰাৰ অভিযান হাতত লৈছে বুলি শ্ৰীসিন্ধিয়াই জানিবলৈ দিয়ে।

ooooo

শিক্ষা মন্ত্ৰালয়ে স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ সহযোগত আজি ধঁপাতমুক্ত যুৱ অভিযানৰ তৃতীয় সংস্কৰণ মুকলি কৰিব। শিক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি এই ৰাষ্ট্ৰজোৰা অভিযান ধঁপাতমুক্ত প্ৰজন্ম গঢ়ি তোলাৰ বাবে থকা চৰকাৰৰ লক্ষ্যক বাস্তৱ কৰি তোলাৰ ক্ষেত্ৰত উল্লেখযোগ্য পদক্ষেপ হিচাপে পৰিগণিত হ'ব। এই অভিযান দুমাহ ধৰি অব্যাহত থাকিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

ooooo

আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁটৰ অষ্টম অধিৱেশন আয়োজনৰ বাবে ভাৰত সম্পূৰ্ণৰূপে সাজু হৈছে। নতুন দিল্লীৰ ভাৰত মন্দপমত অহা ২৭ৰ পৰা ৩০ অক্টোবৰলৈ এই অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনে উজ্জ্বল আৰু বহনক্ষম ভৱিষ্যতৰ বাবে সৌৰশক্তিৰ ব্যৱহাৰ বৃদ্ধি কৰা আৰু এই সন্দৰ্ভত সহযোগিতা ত্বৰান্বিত কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়সমূহক একত্ৰিত কৰিব। নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি নতুন আৰু নবীকৰণযোগ্য শক্তিমন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয়, যে সমগ্ৰ দেশতে পি এম সূৰ্যঘৰ বিনামূলীয়া আঁচনিৰ অধীনত ইতিমধ্যে ২০ লাখতকৈও অধিক বাসগৃহত সৌৰশক্তিৰ বাবে পেনেল সংযোজন কৰা হৈছে।

ইপিনে, আকাশবাণীৰ সৈতে হোৱা কথা বতৰাত আন্তঃৰাষ্ট্ৰীয় সৌৰজোঁটৰ সঞ্চালক প্ৰধান আশীষ খান্নাই এই অধিৱেশনত ১২৪ খন সদস্য ৰাষ্ট্ৰৰ পৰা অংশগ্ৰহণকাৰীয়ে ভাগ ল'ব বুলি জানিবলৈ দিয়ে। সৌৰজোঁটে সৌৰশক্তিৰ ক্ষমতা ব্যৱহাৰ কৰাৰ বাবে থকা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগীক আগুৱাই লৈ যাব বুলিও তেওঁ মন্তব্য কৰে।

০০০০০

নিৰ্বাচন আয়োগে বিহাৰৰ আসন্ন বিধানসভা নিৰ্বাচনত বয়োজ্যেষ্ঠ আৰু দিব্যাংগ ভোটদাতাসকলক পোষ্টেল বেলট ব্যৱহাৰৰ সুবিধা প্ৰদান কৰিব। আয়োগে ৮৫ বছৰ উৰ্ধৰ জ্যেষ্ঠ নাগৰিক আৰু দিব্যাংগ ভোটদাতাসকলে পোষ্টেল বেলটযোগে ভোটদান কৰিব পাৰিব বুলি অধিসূচনা জাৰি কৰিছে। আয়োগে এটা বিবৃতিযোগে কৈছে যে এনে ভোটদাতাসকলে নিৰ্বাচনৰ অধিসূচনা জাৰি হোৱা ৫ দিনৰ ভিতৰত বুথ পৰ্যায়ৰ বিষয়াৰ জৰিয়তে ৰিটাৰ্ণিং বিষয়াৰ ওচৰত 12-D প্ৰপত্ৰ দাখিল কৰি এই সুবিধা গ্ৰহণ কৰিব পাৰিব। ইয়াৰ উপৰি নিৰ্বাচনৰ দিনা অত্যাৱশ্যকীয় সেৱাৰ দায়িত্বত নিয়োজিত ভোটদাতাসকলেও সংশ্লিষ্ট বিভাগৰ নিৰ্দিষ্ট নডেল বিষয়াৰ জৰিয়তে পোষ্টেল বেলট সুবিধাৰ বাবে আবেদন কৰিব পাৰিব বুলি আয়োগে প্ৰকাশ কৰিছে।

এই সুবিধাৰ অধীনত অগ্নি নিৰ্বাপক সেৱা, বিমান পৰিবহণ আৰু দীৰ্ঘ দূৰত্বৰ চৰকাৰী পথ পৰিবহন নিগম আদি অত্যাৱশ্যকীয় সেৱাসমূহ সামৰি লোৱা হৈছে বুলি ভোটগ্ৰহণ সংস্থাটোৱে জনাইছে। তদুপৰি নিৰ্বাচন আয়োগে নিৰ্বাচনৰ দিনটোৰ বা-বাতৰি সংগ্ৰহৰ বাবে অনুমোদিত সংবাদ মাধ্যমৰ কৰ্মীসকলকো পোষ্টল বেলটৰ সুবিধা প্ৰদান কৰিছে।

০০০০০

উত্তৰ প্ৰদেশৰ কাণপুৰ চহৰত কালি বিয়লি এখন দোকানৰ কাষত ৰখাই থোৱা দুখন স্কুটীত সংঘটিত বোমা বিস্ফোৰণৰ ঘটনাত ৬ গৰাকী লোক আহত হয়। কাণপুৰৰ আৰক্ষী আয়ুক্ত ৰঘূবীৰ লালে প্ৰকাশ কৰা অনুসৰি চহৰখনৰ মূলগঞ্জ কোটৱালীৰ মিস্ৰিবজাৰ অঞ্চলত এই বিস্ফোৰণৰ ঘটনা সংঘটিত হয়। বিস্ফোৰণত আহত ৬ গৰাকী লোকৰ ভিতৰত দুগৰাকীৰ অৱস্থা সংকটজনক বুলি তেওঁ উল্লেখ কৰে। উন্নত চিকিৎসাৰ বাবে দুয়োগৰাকী লোকক অন্য চিকিৎসালয়লৈ প্ৰেৰণ কৰাৰ বিষয়ে তেওঁ জানিবলৈ দিয়ে। অন্য ৪ গৰাকী লোকক চহৰখনৰ উড়চালা চিকিৎসালয়ত চিকিৎসা প্ৰদান কৰি থকা হৈছে। আৰক্ষীয়ে বিস্ফোৰণৰ ঘটনা সন্দৰ্ভত বিয়পা উৰা বাতৰিত গুৰুত্ব নিদিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছে। ফৰেনচিক দল আৰু বোমা নিষ্ক্ৰিয় কৰা গোট ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈছে আৰু তদন্ত অব্যাহত ৰাখিছে।

০০০০০

ছত্তিশগড়ৰ নাৰায়ণপুৰ জিলাত কালি ১৬ জন মাওবাদীয়ে আত্মসমৰ্পন কৰে। ইয়াৰ ভিতৰত ৭ জন মহিলা সদস্যও আছে। আত্মসমৰ্পন কৰা মাওবাদী কেইজনৰ সম্ভেদ দিওতালৈ ইতিমধ্যে প্ৰায় ৩৮ লাখ টকাৰ পুৰস্কাৰ ঘোষণা কৰা হৈছিল। ৰাজ্য চৰকাৰৰ পুনৰ্বাসন নীতিৰ আধাৰত কালি আত্মসমৰ্পন কৰা মাওবাদী কেইজনৰ প্ৰত্যেককে ৫০ হাজাৰ টকাৰ চেক প্ৰদান কৰা হয়। ৰাজ্যখনৰ বাস্তাৰ আৰক্ষী খণ্ডত বিগত ১২ মাহত ১৮শতকৈও অধিক মাওবাদীয়ে আত্মসমৰ্পন কৰিছে।

০০০০০

ভাৰত আজি মহিলাৰ আই চি চি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি ৩ বজাত বিশাখাপট্টনমত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত কালি অনুষ্ঠিত এখন খেলত অষ্ট্ৰেলিয়াই পাকিস্তানক ১০৭ ৰানত পৰাস্ত কৰে। শ্ৰীলংকাৰ কলম্বোৰ আৰ প্ৰেমদাছা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত অষ্ট্ৰেলিয়াই প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২২১ ৰান সংগ্ৰহ কৰে। দলটোৰ বেথ মুনিয়ে বিশ্বকাপত নিজৰ প্ৰথমটো শতক অৰ্জন কৰে। প্ৰত্যুত্তৰত পাকিস্তানে ৩৬ অভাৰ আৰু তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই মাত্ৰ ১১৪ ৰানহে কৰিবলৈ সমৰ্থ হয়। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে অষ্ট্ৰেলিয়াৰ বেথ মুনিক প্লেয়াৰ অৱ্ দ্যা মেচৰ সন্মান আগবঢ়োৱা হয়।

০০০০০

**সমাপ্ত**